# ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আবৃত্তি কৰিবলগা অসমীয়া কবিতা

কবি ঃ নৰকান্ত বৰুৱা

## ইয়াত নদী আছিল

কবি: নৰকান্ত বৰুৱা

দেখিছোঁ নদীৰ জলে বলাৎকাৰ কৰা পথাৰক,
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান,
শুনিছোঁ সিন্ধুৰ বানে নিমিষতে নগৰক
আত্মসাৎ কৰি
এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।

উদগ্ৰ ধ্বংসৰ নিচা, লোভৰ কুটিল দুঃসাহস
ছলনাৰ জীৱন্ত ধেমালি আৰু পাপৰ কুৎসিৎ অভিসাৰ—
তাৰো সৌন্দৰ্যই মোক দিছিল স্বপ্নৰ জাল ৰচি,
কাৰণ, মই যে দিওঁ দুঃস্বপ্নকো স্বপ্নৰ মৰ্যাদা,
সিও বন্দী সূৰ্যকণা,
আহিছিল ভাঙি ছিঙি পৃথিৱীৰ কঠিন জৰায়ু।

কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাঁই বৰণৰ এখন পৃথিৱী।

নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লেৰে গঢ়ে গছ লতা ফুলৰ সমাধি,
ছঁয়াময়া জিঁয়া এটি বালিয়ে বালিয়ে উৰি,
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।
লাহে লাহে মাহে মাহে বছৰে বছৰে।...

দুৰণিৰ নীলা সেই গাওঁখনলৈ

এইবাৰ বহাগৰ ঢল নাহে নেকি
উজানৰ বগা মাছে ৰূপোৱালী নকৰে নিজৰা?
আষাঢ়ৰ ক'লা মেঘ পাহাৰৰ সিপাৰে থাকিল।
পাহাৰ ইমান ওখ ওখ নে মেঘতকৈয়ো?
ওখ নে প্ৰেমতকৈয়ো? ✓